# তিনি ‘ক’ : কবিতা, কৃত্ৰিম বুদ্ধিমত্তা আৰু কলমৰ পাপ

**ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী**



**এক**

জীৱনটোক চেকনিখনৰ মাজেৰে পাৰ হৈ যাব দিলে, চেকনিৰ ওপৰত যিখিনি অৱশিষ্ট ৰৈ যায়, তাতেই থাকে কবিতাৰ সকলো সমল, সাৰমৰ্ম। পাৰ হৈ যোৱাখিনি বাহুল্য, ৰৈ যোৱাখিনি জীৱনৰ সমস্ত উপলব্ধিৰ প্ৰগাঢ় ৰূপ। কবিতাবোৰ লিখে জানো কবিয়ে? এনে এটা প্ৰশ্নক লৈয়ো মোৰ মনত কত যে সংশয়। পৃথিৱীৰ একমাত্ৰ কবিতাটো নিৰন্তৰ লিখি আছে সময়ে, যেন সেয়া এক কবিতা নহয়, ৰং-বিৰঙী এটা শেষ নোহোৱা বোঁৱতী নৈ, ক’ৰ পৰা আহিছে ক’লৈনো গৈ আছে নাজানে কোনোৱে। অথবা এখন ছবি যিখন কেতিয়াও শেষ নহয়। পাৰলৈ গৈ চুই চাইছোঁ সেই নৈৰ পানী অথবা আঙুলি এটা লগাই দিছোঁ কেনভাছত। অকণমান ৰং লাগি আহিছে হাতত। তাকেই লৈ কি অহঙ্কাৰ কবিৰ– চোৱা চোৱা কিদৰে ৰঙেৰে বোলাইছোঁ মোৰ হাতৰ আঙুলি। কবিসকল এক অহঙ্কাৰী প্ৰজাতি। সময়ৰ ৰং চুৰি কৰি নিজৰ বুলি জহাই ভালপোৱা আত্মকেন্দ্ৰিক চোৰ। সময় ইমান উদাৰ আৰু বিশাল যে ক্ষমা কৰি দিয়ে আত্মপ্ৰেমী তুচ্ছ কবিক। কোনো কবিয়ে প্ৰকৃততে কবিতা নিলিখে। তেওঁ মাথোঁ নিজৰ চকুৰে সময়ে অঁকা ছবিখন জুপি জুপি চায়, ডুব দিয়ে বোঁৱতী নৈত। কি দেখিলে, কি চুই চালে, কি আৱিষ্কাৰ কৰিলে ক’বলৈ চেষ্টা কৰি আৱিষ্কাৰ কৰে যে সঠিককৈ সকলো ক’ব পৰা ভাষা এতিয়াও নিৰ্মাণেই হোৱা নাই। আৰম্ভ হয় তেওঁৰ বিনিদ্ৰ ৰজনী, যন্ত্ৰণা, সংগ্ৰাম। সেই যন্ত্ৰণাৰ পৰা মুক্তি পাবৰ বাবেই কবিয়ে এটাৰ পিছত আনটো কবিতা লিখি যায়। মোৰো লিখাৰ কাৰণ একেটাই। মোৰ বিশ্বাস

হয় কবিতাই মোক এদিন এজন সুন্দৰ মানুহ কৰি তুলিব। প্ৰতিটো কবিতাই মোক সোঁৱৰাই দিয়ে যে এটা সুন্দৰ কবিতাতকৈও এজন সুন্দৰ মানুহৰ মূল্য বেছি। কবিতা মোৰ মগজুতকৈ হৃদয়ৰ অধিক কাষ চপা। এয়া মোৰ অকপট স্বীকাৰোক্তি। কিন্তু বিজ্ঞানে হৃদয়ৰ পৰা কবিতাক আঁজুৰি লৈ যাব নেকি?

## দুই

বিজ্ঞানৰ মানুহ কাৰণেই বিজ্ঞানৰ নতুন নতুন বিস্ময়ৰ খবৰ ৰাখোঁ। সেই বাবেই চাগে' মনত উদয় হৈছে এক প্ৰশ্ন: কৃত্ৰিম বুদ্ধিমত্তাই মোৰ হৃদয়ৰ পৰা কবিতাক কাঢ়ি নিব নেকি! কবিতা হৈ পৰিব নেকি এক যান্ত্ৰিক কছৰৎ! ভাব হয়, হয়তো কবিতা ইতিহাসৰ এক বিৰল সন্ধিক্ষণত উপনীত হৈছে যাৰ পিছত কবিতাৰ স্ৰষ্টা অকল হৃদয়ৱান মানুহেই হৈ নাথাকিব, সেই কবি-মানুহৰ সঙ্গী হৈ পৰিব কোনো বিজ্ঞানী, কোনো যন্ত্ৰ। যেতিয়ালৈকে সঙ্গী হৈ থাকে, তেতিয়ালৈ হয়তো কবিতাৰ ৰেহ-ৰূপক লৈ বৰ বেছি শঙ্কিত হোৱাৰ প্ৰয়োজন নাই, কিন্তু শঙ্কা হয় সেই বিজ্ঞানী বা যন্ত্ৰই যদি কবিক আঁতৰাই কবিৰ আসনত নিজেই নিগাজিকৈ বহি লয়। কৃত্ৰিম বুদ্ধিমত্তাই অৱশেষত কি ৰূপ ল'ব, কবিতাৰ ক্ষেত্ৰত কি ভূমিকা গ্ৰহণ কৰিব, সেয়া এতিয়াও অনিশ্চিত, মানুহৰ সৃজনশীলতা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সীমাৰেখাডাল যেন লাহে লাহে ধূসৰ হৈ আহিছে। এই শঙ্কাও আৰম্ভ হৈছে যে পূৰ্বসূৰীৰ আঙ্গিক, ভাবাৰ্থ, গঠন নিৰ্ভুলভাৱে অনুসৰণ কৰি দ্ৰুত বেগেৰে বিপুল আয়তনৰ কবিতাৰ সৃষ্টিৰে কৃত্ৰিম বুদ্ধিমত্তাই কবিতাক ৰূপান্তৰিত কৰিব নেকি এক পণ্যলৈ। মানুহৰ কবিতা আৰু কৃত্ৰিম বুদ্ধিমত্তাসৃষ্ট কবিতা বাছি উলিওৱাটো জানো সাধাৰণ পঢ়ুৱৈৰ বাবে সহজ হ'ব, কবিয়ে জানো নিজৰ অস্তিত্ব সাব্যস্ত কৰিবৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ সৈতে প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ বিজয়ী হ'ব লাগিব? এই ৰণত কবিৰ অস্ত্ৰ হ'ব কি? এইবোৰ কবিতাক লৈ হোৱা কিছু নতুন প্ৰশ্ন।

এই সকলো প্ৰশ্নৰ সঠিক সমিধান নাজানো। কিন্তু নিজকে সান্ত্বনা দিছোঁ এইদৰে: কবি আৰু বিজ্ঞানৰ সহযোগত এক নতুন কবিতাৰ জন্ম হ'ব, যি হ'ব মসৃণ আৰু সুমধুৰ, সাঙ্গীতিক, কাৰণ কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত কবিতাৰ খচৰাৰ সম্পাদনা হ'ব অধিক নিখুঁত। বিজ্ঞানৰ অৱদান কৃত্ৰিম বুদ্ধিমত্তাই কবিৰ সৃজনশীলতাক অকল্পনীয় অভিনৱত্ব প্ৰদান কৰাৰ লগতে ইয়াক সহজতে বিয়পাই দিব দূৰ সুদূৰৰ অগম্য অঞ্চললৈ। প্ৰতিযোগী হিচাপে নহয়, ভৱিষ্যতৰ কবিয়ে বিজ্ঞান-প্ৰদত্ত কৃত্ৰিম বুদ্ধিমত্তাক গ্ৰহণ কৰিব সহযোগীৰ ৰূপত, চৰ্বিতচৰ্বন চিন্তা-ভাৱনা আৰু ক্লিশে হৈ পৰা আঙ্গিকেৰে ভাৰাক্ৰান্ত কবিতাই স্বাভাৱিকভাৱেই আবৰ্জনা (অকবিতা)ৰ ৰূপত বৰ্জিত হ'ব আৰু দুৱাৰ খুলি দিব এক মৌলিক চিন্তা আৰু নিজা ছিগনেশ্যাৰেৰে সমূজ্জ্বল কবিতাৰ এক নতুন জগতলৈ। কবিতা হ'ব আৰু অধিক মৌলিক, কাৰণ ই সমৃদ্ধ হ'ব লাগিব নিজা অভিজ্ঞতা, সততা, আৱেগিক তাড়না, উপলব্ধি, চিত্ৰকল্প, অনুভূতিৰ ঘনত্ব, সূক্ষ্ম দৃষ্টি, ৰসবোধ, ব্যাকৰণকো অতিক্ৰম কৰাৰ সাহস, শব্দত নতুন অৰ্থ আৰোপৰ দক্ষতা আৰু ইঙ্গিতেৰে। প্ৰকৃতাৰ্থত কবিতা হ'ব কবিৰ নিজৰ আত্মাৰ স্বৰ। হৃদয়ৰ স্পন্দন। কবিতা কি, তাৰ উত্তৰৰ বাবে আনৰ উদ্ধৃতি আওৰোৱাৰ জ্ঞানী অভ্যাস এতিয়া অৰ্থহীন। সেই কাম এতিয়া কৃত্ৰিম বুদ্ধিমত্তাই হাজাৰ গুণ বিস্তৃতিৰে কৰিব পাৰিব লক্ষ লক্ষ গুণ দ্ৰুততাৰে। নতুন চিন্তা, উপলব্ধি আৰু মৌলিকতা হ'ব বিজ্ঞান আৰু কবিৰ সমন্বয়ত ধীৰে ধীৰে গঢ় লৈ উঠিবলৈ আৰম্ভ কৰা নতুন কবিতাৰ জগতৰ মূল উপাদান। কবিতাৰ সেই নতুন জগতখনত অচিৰেই যে অসমৰ কবিয়েও চুচুক-

চামাককৈ প্ৰৱেশ কৰিব, সেয়া নিশ্চিত। কিজানি আমাৰ অজানিতে কোনোবাই ভৰি দিছেই, কাৰণ নতুন প্ৰজন্ম এতিয়া কৃত্ৰিম বুদ্ধিমত্তাৰ সৈতে পৰিচিত, হয়তো অভ্যস্তও।

যিয়েই নহওক কিয়, কবিতাক হৃদয়ৰ পৰা যেন কৃত্ৰিম বুদ্ধিমত্তাই আঁতৰাই লৈ নাযায়, কলমে যেন কৃত্ৰিম বুদ্ধিমত্তাৰ শক্তিৰে বলিয়ান হৈ পাপ নকৰে। কলমৰ পাপক লৈ লিখা এটা কবিতাৰে ৰচনাখন সামৰোঁ।

## তিনি

**কলমৰ পাপ**

কলমবোৰে আজিকালি বৰ বেছি পাপ কৰে সৰস্বতী
তোমাৰ অকণো কষ্ট নহয়নে

চুনামীত উটি যোৱা অচিন শৰীৰবোৰ
জোৱাৰত উভতি আহে আউলি-বাউলি হৈ
যেন বুকুত সাবটি লৈ এসোঁতা কান্দিব কলমটোৰ সৈতে

ছেনিটাইজাৰেৰে ধোৱা গাত সুগন্ধি ছটিয়াই কলমটোৱে
সাহিত্যৰ বাণিজ্য মেলালৈ আকাশমাৰ্গেৰে উৰা মাৰি গুচি যায়
নিশ্চুপ হৈ মজিয়াত পৰি ৰয় কান্দোনৰ ভাগৰুৱা শৰীৰ

সৰগলৈ যোৱা খটখটিবোৰ সাজি উলিওৱাৰ বাবে
কলম যে এতিয়া ব্যস্ত দিন-ৰাতি
সময় ক'ত কাৰোবাৰ বিননিৰ বাবে

কলমবোৰে আজি-কালি বৰ বেছি পাপ কৰে সৰস্বতী
তোমাৰ কষ্ট নহয়নে
নদীৰ ঢলত উটি যায় শিশুবোৰ
আৰ্তনাদ এটা ধৰফৰাই ঘূৰি ফুৰে জুয়ে পোৰা চহৰৰ অলিয়ে-গলিয়ে
জীৱন্ত শ এটাই বাট বিচাৰি ঢাপলি মেলি আহিব খোজে কলমৰ কাষলৈ

নিৰন্ধ্ৰ শব্দৰে সাজি উলিওৱা বাতানুকুল প্ৰেক্ষাগৃহত
কলমৰ মেহফিল চলি আছে
পান্থপ্ৰদীপত উজ্বলি উঠে উৰ্বশীৰ মুখ
বন্ধ লৌহ-কপাটত আঁৰি দিয়া হয় এখন ফলক
আমনি নকৰিব
ভিতৰত সৰস্বতীয়ে তপস্যা কৰিছে

তোমাৰ নাম লৈ কলমবোৰে আজিকালি বৰ বেছি পাপ কৰে সৰস্বতী

নিজে উজলি উঠে কাকো পোহৰাব নোৱাৰে কলমে
তোমাৰ কষ্ট নহয়নে

কলমবোৰ ওভোতাই লৈ যোৱা সৰস্বতী
আনৰ পোহৰেৰে উজলি উঠা কলম আমাক নালাগে

দিয়া যদি দিয়া চৰাইৰ পাখিৰ তেনে এটা পুৰণি কলম দিয়া
আনক পোহৰাবলৈ যাৰ নিজৰ পোহৰ আছে

কলমবোৰ শ্ব’পিচ হ’ল সৰস্বতী
ড্ৰয়িং ৰুমত সজাই থোৱা
কৃত্ৰিম ফুলৰ দৰে